# উৎসৰ্গা

মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা

ইয়াৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা

নিস্বাৰ্থ শুভাকাংক্ষী ব্যক্তি ...

শিক্ষক-কৰ্মচাৰী ...

ছাত্ৰ-ছাত্ৰী ...

আমি হেৰুৱালোঁ

সোণালী জয়ন্তীৰ এই ক্ষণত

তেওঁলোকক আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ

আৰু স্মৃতিগ্ৰন্থখনি তেওঁলোকৰ নামত

উৎসৰ্গা কৰিলোঁ।

- সম্পাদনা সমিতি





G.B. Members with the Teaching Staff of the College



Teaching Staff of the College



Non Teaching Staff of the College with Principal



Students' Union 2013-14

**SWARNASMRITI** : A souvenir published on the occasion of closing ceremony of Golden Jubilee Year Celebration of Jhanji Hemnath Sharma College, Jhanji on 27, 28 & 29 September, 2014 and edited by Chandan Dutta and Sagidul Haque Borbora on behalf of the Celebration Committee and Published by the Secretary, Golden Jubilee Celebration Committee, Jhanji Henmath Sharma College.
Date of Publication - 27th September, 2014

Price : Rs. 100/-

## স্বৰ্ণস্মৃতি-ৰ নেপথ্যত

সভাপতি ঃ শ্ৰীযুত হৰেন বৰুৱা

সম্পাদকদ্বয় ঃ শ্ৰীযুত চন্দন দত্ত
শ্ৰীযুত ছাজিদুল হক বৰবৰা

সদস্য-সদস্যা ঃ অধ্যক্ষ ড° মানজিৎ গগৈ
শ্ৰীযুতা বীণা দত্ত বৰুৱা
শ্ৰীযুত প্ৰতাপ বৰুৱা
ড° অমৰজিৎ শইকীয়া
শ্ৰীযুত ৰঞ্জিত বৰুৱা
শ্ৰীযুত ব্ৰীজমোহন হাজৰিকা
শ্ৰীযুতা মঞ্জুমালা শৰ্মা ভট্টাচাৰ্য্য
শ্ৰীযুত জীৰমণি নাথ
শ্ৰীযুত আকাশজ্যোতি শইকীয়া

বেটুপাতৰ পৰিকল্পনা ঃ ছাজিদ আৰু জয়ন্ত

প্ৰকাশ কাল ঃ ২৭ চেপ্তেম্বৰ, ২০১৪

প্ৰকাশক ঃ সম্পাদক, সোণালী জয়ন্তী
উদ্‌যাপন সমিতি

শুভেচ্ছামূলক বৰঙণি ঃ ১০০ (এশ) টকা মাত্ৰ

মুদ্ৰণ ঃ হাজৰিকা প্ৰিন্টিং প্ৰেছ
গড়-আলি, যোৰহাট - ১

## আমি এইসকলৰ ওচৰত কৃতজ্ঞ

শুভেচ্ছাবাণী
প্ৰেৰণ কৰি স্মৃতিগ্ৰন্থ খনি সমৃদ্ধ কৰা
অসমৰ মাননীয় ৰাজ্যপাল মহোদয় আৰু ডিব্ৰুগড়
বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য্য মহোদয়

যিসকল প্ৰাক্তন শিক্ষক, ছাত্ৰ, বিশিষ্ট
শুভাকাংক্ষী ব্যক্তিয়ে মননশীল
লেখনিৰে স্মৃতিগ্ৰন্থখনি সমৃদ্ধ কৰিলে -

প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহায়ৰ হাত
আগবঢ়োৱা মহাবিদ্যালয়ৰ
অধ্যক্ষ প্ৰমুখ্যে প্ৰতিজন শিক্ষক-কৰ্মচাৰী,
বিশেষকৈ কাৰ্য্যালয়ৰ
ইন্দ্ৰ, মন্টু আৰু ৰূপজ্যোতি

যিসমূহ অনুষ্ঠান-প্ৰতিষ্ঠানে
স্মৃতিগ্ৰন্থ খনিত বিজ্ঞাপন আগবঢ়াই
সহায়ৰ হাত আগবঢ়ালে

হাজৰিকা প্ৰিন্টিং প্ৰেছৰ
স্বত্বাধিকাৰকে
প্ৰমুখ্যে কৰি সমূহ কৰ্মচাৰীবৃন্দ

- *সম্পাদনা সমিতি*



যিজনা শিক্ষাবিদ বৰেণ্য ব্যক্তিৰ নামেৰে এই
মহাবিদ্যালয়খনি নামাংকিত হ'ল সেইজনা আমাৰ শ্ৰদ্ধেয় ব্যক্তি
স্বৰ্গীয় হেমনাথ শৰ্মা।

# অধ্যক্ষৰ মেজৰ পৰা

জ্ঞানেই মানুহৰ শ্ৰেষ্ঠ সম্পদ আৰু এই জ্ঞানে মানুহক পাৰ্থিৱ জীৱনত সাহস আৰু সামৰ্থৰে ভৰি দিবলৈ অনুপ্ৰেৰণা যোগায়। এই জ্ঞানৰ প্ৰথম বীজ অংকুৰণ হয় এই শিক্ষানুষ্ঠানবোৰত। ইতিহাসৰ পাত লুটিয়ালে এইটো নিশ্চয় প্ৰতিপন্ন হ'ব যে সভ্যতাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছে। শিৱসাগৰ জিলাৰ সীমামুৰীয়া অঞ্চলত অৱস্থিত এই জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ও ইয়াৰ ব্যতিক্ৰম নহয়। বৃহত্তৰ জাঁজী অঞ্চলৰ কিছু সংখ্যক পুৰুধা শিক্ষানুৰাগী ব্যক্তিৰ সৎ চেষ্টাৰ ফলশ্ৰুতি এই মহাবিদ্যালয়ে নিশ্চয় কিছু সামাজিক দায়িত্ব পালন কৰি আহিছে।

মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যিসকল সমাজ সচেতন ব্যক্তি আৰু পৰিয়ালে ভূমিদান, শ্ৰমদান, আৰ্থিক অনুদান, কায়িক আৰু মানসিক পৰিশ্ৰমৰে মহাবিদ্যালয়খনক আজিৰ ৰূপত প্ৰতিষ্ঠিত হোৱাত সহায় কৰিলে, সেই সকল সদাশয় ব্যক্তি আৰু পৰিয়ালৰ প্ৰতি আমাৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

২০১২ চনৰ ৩১ জানুৱাৰীত স্থায়ী অধ্যক্ষ ড° অনিল কুমাৰ গগৈ ছাৰে অৱসৰ গ্ৰহণ কৰাত স্থায়ী অধ্যক্ষ নিযুক্তি লাভ নকৰা পৰ্যন্ত মহাবিদ্যালয়ৰ বৰ্তমানৰ উপাধ্যক্ষ শ্ৰীযুত বীৰেশ্বৰ নেওতা দেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। কাৰ্যভাৰ গ্ৰহণ কৰি তেখেতে পৰিচালনা সমিতিৰ সভাপতি মাননীয় ড° গিয়াছুদ্দিন আহমদ মহোদয়ৰ লগত আলোচনা কৰি স্থায়ী অধ্যক্ষৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰে আৰু সেই মৰ্মে ২০১২ চনৰ ১৪ মাৰ্চ তাৰিখে স্থায়ী অধ্যক্ষৰ নিযুক্তিৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত কৰে। এই সাক্ষাৎকাৰত মুঠ ৯ জন প্ৰাৰ্থী উপস্থিত আছিল। সাক্ষাৎকাৰৰ পাছত গম পালোঁ ময়েই জাঁজী কলেজৰ অধ্যক্ষৰ বাবে নিৰ্বাচিত হ'লোঁ। মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ পৰা মোক Phone যোগে জনোৱা হ'ল যে মই নিৰ্বাচিত হৈছোঁ, আৰু পৰৱৰ্তী কামখিনি কৰিবৰ বাবে মহাবিদ্যালয়লৈ আহিব লাগে। সেইমতে মই কৰ্মৰত গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পুণ্যধৰ গগৈ ছাৰক কথাখিনি অৱগত কৰিলোঁ। ছাৰ মোৰ এজন অত্যন্ত শুভাকাংক্ষী আৰু গাইড সেয়ে ছাৰে মোক বাকী কামখিনি সময়মতে কৰিবলৈ অনুমতি প্ৰদান কৰিলে। সকলো কাম দ্ৰুত গতিতে কৰা হ'ল কেৱল আগতীয়াকৈ SIU নম্বৰ উলিয়াই নোথোৱাত প্ৰায় ১০ দিন সময় অধিক প্ৰয়োজন হৈছিল। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ কৰ্মী শ্ৰী জীতেন বৰাই মোক ভালেখিনি সহায় কৰি দিছিল কাৰণ মই DPI office ত হে কাম-কাজ সমাধা হয় বুলি ভাবিছিলোঁ, কিন্তু SIU নম্বৰটো সচিবালয়ৰ পৰাহে আনিব লগা হৈছিল। এই ক্ষেত্ৰত স্থানীয় বিধায়ক শ্ৰীযুত অঞ্জন দত্ত ছাৰৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এপ্ৰিল মাহৰ ৫ তাৰিখে পুৱাই ৭ বজাত গড়গাঁও মহাবিদ্যালয়লৈ গ'লোঁ ছাৰৰ পৰা অনুমতি বিচাৰি, ছাৰেও সেইমতে অনুমতি দিয়াৰ উপৰি কেইটামান বৰ গুৰুত্বপূৰ্ণ কথা কৰ্ণপাত কৰিলে যিকেইটা কথাই মোক আজিও যথেষ্ট অনুপ্ৰেৰণা আৰু সকাহ দিয়ে। ছাৰৰ পৰা অনুমতি পত্ৰখন লৈ

ঘৰলৈ আহিলোঁ। ঘৰত সোমাই গম পালোঁ মোৰ ডাঙৰ ককাইদেউ আহিছে, মনটো আবেগিক হৈ উঠিল। তাৰ পাছত অকণমান সময় বহি যাবতীয় সকলো কাগজ-পত্ৰ লৈ বাইদেউৰ গাড়ীখন লৈ জাঁজী কলেজলৈ ওলালোঁ। যোৱাৰ প্ৰাক্ মুহূৰ্তত দাদাক এটা সেৱা জনালোঁ, দাদায়েও আবেগভৰা নয়নেৰে মূৰত হাত বুলাই আশীৰ্বাদ দিলে। সময় পুৱা ১০-১৫ বজাত মই গৈ মহাবিদ্যালয়ৰ সন্মুখৰ ডাঙৰ Field খনত গাড়ী ৰাখি অধ্যক্ষৰ কাৰ্যালয়লৈ আগ বাঢ়িলোঁ। মোক বীৰেশ্বৰ নেওগ ছাৰে আগ বঢ়াই নি বহিবলৈ দিলে। কোঠাটোৰ ভিতৰত পৰিচালনা সমিতিৰ সভাপতি ড° গিয়াছুদ্দিন ছাৰ আৰু কেইবাগৰাকীমান জ্যেষ্ঠ শিক্ষক বহি আছিল। এটা সময়ত অধ্যক্ষৰ আসনত উপবিষ্ট হ'লোঁ আৰু আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিলোঁ। অলপ পৰ তাত বৈ Seminar hall ত এখন সভা আহ্বান কৰা হ'ল আৰু মই সকলোৰে লগত চিনাকী হ'লোঁ।

মহাবিদ্যালয়ত অধ্যক্ষৰ বাবে যি সাক্ষাৎকাৰ অনুষ্ঠিত হৈছিল তাত মোক কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন সুধিছিল পৰিচালনা সমিতিৰ সভাপতি মহোদয়ে। তাৰ প্ৰথম প্ৰশ্নটিয়ে আছিল যে মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আহি আছে তাৰ বাবে কেনেকৈ প্ৰস্তুত হ'ম আৰু কেনেদৰে উদ্‌যাপন কৰিম। মই তেতিয়া এটা কথাই কৈছিলোঁ যে এই সম্পৰ্কে আলোচনা কৰিবলৈ হ'লে প্ৰথমে মহাবিদ্যালয়ত কৰ্মৰত সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগ বিচৰা হ'ব, তাৰ পাছত মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ সহায়, যি সোণালী জয়ন্তী উৎসৱটি বাস্তৱত ৰূপ দিব। এনেদৰেই মই প্ৰশ্নৰ উত্তৰ দিছিলোঁ। আন এটি প্ৰশ্নত তেখেতে NAAC ৰ মূল্যায়নৰ সম্পৰ্কে মোৰ মতামত জানিব বিচাৰিছিল।

অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত মহাবিদ্যালয়খনৰ শৈক্ষিক, আৰ্থিক, সামাজিক আৰু প্ৰশাসনিক দিশসমূহৰ বিষয়ে জানিবলৈ বিচাৰিলোঁ। ক্ৰমান্বয়ে সকলো কথা বুজি উঠিলোঁ আৰু এখন বহী লৈ প্ৰথমে কি কি কাম কৰিম তাক লিপিবদ্ধ কৰি গ'লোঁ। সেয়ে মহাবিদ্যালয়ত নতুন কাম আৰম্ভ কৰাৰ আগে-আগে আধৰুৱা কামবিলাক সম্পূৰ্ণ কৰাৰ বাবে চেষ্টা চলাই গ'লোঁ। তাৰ ভিতৰত দুটা RCC শ্ৰেণীকোঠা, Women Hostel ৰ বৈ যোৱা বাকী কামখিনি Utilization ব্যৱহাৰিক প্ৰমাণ-পত্ৰৰ বাবে প্ৰয়োজনীয় Inpection, একাদশ পৰিকল্পনাৰ সম্পূৰ্ণ ধনৰাশি খৰচ কৰিছিল বিভিন্ন শিতানত মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° অনিল গগৈ ছাৰ, ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত বীৰেশ্বৰ নেওগ ছাৰে, কিন্তু তাৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ, Audit আদিৰ সন্মুখীন হৈ এই সকলোখিনি সুকলমে সমাধা কৰা হ'ল। অন্যথা UGC ৰ বাকী পাব লগা সকলোখিনি বন্ধ কৰি ৰাখিছিল। সেইখিনি সময়ৰ ভিতৰতে মহাবিদ্যালয়ৰ ছোৱালী Hostel ৰ পাছফালে থকা অৱহেলিত মাটিখিনিত চাহপুলি ৰোৱাৰ ব্যৱস্থা কৰা হ'ল, আৰু এই বছৰৰ পৰা তাত চাহপাতৰ উৎপাদন আৰম্ভ হৈছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিদ্যায়তনিক দিশটিও উৎকৰ্ষ সাধন কৰিবলৈ গৈ Student Seminar আৰু মহাবিদ্যালয়ৰ পৰা ৪ খন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়।

ইয়াৰ মাজতে সমূহ ৰাইজ তথা শিক্ষক-শিক্ষয়িত্ৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ আৰু শিক্ষকসকল প্ৰাক্তন আৰু অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত মহাবিদ্যালয়ৰ কৰ্মচাৰী আৰু বৰ্তমান পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে হিতাকাংক্ষী সকলৰে মিলি এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। এই সভাতেই কেইবাখনো Seminar আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয়। U.G.C. Sponsored National Seminar প্ৰথমখন আয়োজন কৰা হৈছিল সমাজতত্ত্ব বিভাগৰ পৰা আৰু ইয়াৰ সমন্বয়ক আছিল ড° বিৰিঞ্চি কুমাৰ বৰা।

পিছৰ Seminar খনো U.G.C. Sponsored আছিল আৰু ইয়াৰ সমন্বয়ক আছিল ড° জয়ন্ত গগৈ। অসমীয়া আৰু ইংৰাজী বিভাগৰ পৰা অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় আলোচনা চক্ৰখনিৰ সমন্বয়ক আছিল চন্দন দত্ত আৰু শ্ৰীযুতা সীমা নাথ। ICSSR ৰ অনুদানেৰে অনুষ্ঠিত কৰা আলোচনা চক্ৰখনিৰ সমন্বয়ক আছিল ড° জয়ন্ত গগৈ।

ইয়াৰ উপৰি ভালেকেইখন কৰ্মশালা, আলোচনাচক্ৰ আৰু বক্তৃতা অনুষ্ঠান এই সময়ছোৱাত অনুষ্ঠিত কৰা হয়। শেহতীয়াকৈ RUSA ৰ ওপৰত এটি এদিনীয়া কৰ্মশালা অনুষ্ঠিত কৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ সঞ্চালকদ্বয় ক্ৰমে ড° যোগেন কলিতা আৰু ড° ৰূপম শইকীয়াক আমন্ত্ৰণ জনোৱা হয়। এই কৰ্মশালাটি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হোৱাত প্ৰায় ৬৩ খন

মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰিছিল, আৰু ৪২ জন বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ উপস্থিত আছিল। এই কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰিছিল সঞ্জীৱ দত্তই। উপ-সমিতি গঠন কৰি সৰ্বসম্মতিক্ৰমে গৃহীত কৰা হয়। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে সোণালী জয়ন্তী সম্পৰ্কে মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে মই মহাবিদ্যালয়ত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে ঠিক-ঠাক কৰি থৈছিল, মই কেৱল কাৰ্যত ৰূপ দিছোঁ। বিভিন্ন ধৰণৰ উপ-সমিতি সমূহ গঠনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ জ্যেষ্ঠ প্ৰবক্তা শ্ৰীযুত জ্যোতি প্ৰসাদ গগৈ আৰু ড° বিৰিঞ্চি কুমাৰ বৰাই মোক সহায় কৰি দিছিল। সেয়ে দুয়োজনক মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই কাৰ্য সম্পাদন কৰি আমি সকলোৱে সোণালী জয়ন্তী বৰ্ষৰ আৰম্ভণি অনুষ্ঠানটি উদ্‌যাপন কৰিবৰ বাবে আগ বাঢ়িছিলোঁ। মহাবিদ্যালয়খনৰ যদিও ৪৯ টা বছৰ সম্পূৰ্ণ হ'ল তথাপি বহুখিনি অভাৱ পৰিলক্ষিত হৈছিল মোৰ চকুত। সেয়ে কি কৰিলে কেনেকৈ কৰিলে এই সমস্যাসমূহ সমাধান কৰিব পাৰি তাৰ বাবে দিনে-ৰাতিয়ে কেৱল চিন্তা কৰি গ'লোঁ আৰু শুভাকাংক্ষীসকলৰ লগতো আলোচনা কৰিলোঁ। তেনে এক সময়তে অসম চৰকাৰে আন্তঃগাঠনি উন্নয়নৰ বাবে ১৪, ৭০,০০০/- টকাৰ অনুদান আগ বঢ়ালে আৰু এই ধনেৰে দুটা RCC শ্ৰেণীকোঠা সম্পূৰ্ণ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ অভাৱ পূৰণ কৰিবলৈ চেষ্টা চলোৱাৰ লগতে ওপৰ মহলত থকা Library ৰ চিলিংখন সুন্দৰকৈ দি ছাত্ৰ-ছাত্ৰীসকলে গৰমৰ পৰা সকাহ পোৱাৰ ব্যৱস্থা কৰাৰ উপৰি এটা Staircase বনোৱা হ'ল।

সেই বছৰতে স্থানীয় NGO কৃষক ন্যাসে ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ কাৰ্যসূচী অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ মাজত এক সজাগতা সৃষ্টি কৰে। এই অনুষ্ঠানত শিৱসাগৰ জিলাৰ উপায়ুক্ত যতীন লহকৰ মহোদয় উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। ইয়াৰ উপৰি মহাবিদ্যালয়তে শিৱসাগৰ জিলাৰ কৰ্মচাৰী পৰিষদৰ অধিবেশন দুদিনীয়াকৈ অনুষ্ঠিত কৰিছিল। প্ৰজাপতি ব্ৰহ্মাকুমাৰী ঈশ্বৰী বিশ্ববিদ্যালয়ৰ দ্বাৰা ড্ৰাগছ আৰু সুৰাপানৰ ক্ষতি সম্পৰ্কে আলোচনা কৰিছিল।

২০১২ চনৰ নবাগত আদৰণী সভালৈ বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল মাননীয় অসম চৰকাৰৰ প্ৰাক্তন পৰিবহন মন্ত্ৰী তথা বৰ্তমানৰ আমগুৰি সমষ্টিৰ বিধায়ক শ্ৰীযুত অঞ্জন দত্ত ছাৰক আৰু আমগুৰি ৰাজহ চক্ৰৰ চক্ৰ বিষয়া শ্ৰীযুত উৎপল দলে ডাঙৰীয়াক। আমাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ অৱস্থা একেবাৰে শোচনীয় আছিল আৰু সেইদিনাই আমাৰ বিধায়ক দত্ত দেৱে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহৰ আৰু মঞ্চৰ চিলিংখনৰ বাবে ৫ লাখ টকা অনুদান আগ বঢ়াই। প্ৰেক্ষাগৃহটিৰ মানদণ্ড উন্নত কৰাত তেওঁ যি সহায় কৰিলে তাৰ বাবে আমি তেওঁৰ ওচৰত চিৰকৃতজ্ঞ। ২০১২-১৩ বৰ্ষতেই মহাবিদ্যালয়ত নতুনকৈ দৰ্শন আৰু ভূগোল - এই দুটা বিষয় আৰম্ভ কৰা হয়। এই বিষয় দুটাৰ বাবে স্থানীয় জ্যেষ্ঠ সাংবাদিক শ্ৰীযুত গোপাল বৰুৱা দেৱে মোক মৌখিক ভাৱে অনুৰোধ কৰিছিল। এই বছৰ মহাবিদ্যালয়ত এই দুয়োটি বিষয়তে Major খুলিবৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অনুমতি প্ৰদান কৰিছে। ইয়াৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোহাঁই ছাৰ আৰু মহাবিদ্যালয়ৰ উন্নয়ন পৰিষদৰ সঞ্চালক ড° ৰূপম শইকীয়া দেৱক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীসকলক কাৰিকৰী শিক্ষাৰ যোগেদি আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ প্ৰয়াস কৰি দুটি COC পাঠ্যক্ৰমৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত আবেদন জনোৱা হৈছিল আৰু সেই মৰ্মে UGC কাৰ্যালয়লৈ সাক্ষাৎকাৰৰ বাবে আমন্ত্ৰণ কৰিছিল। যাৰ ফলশ্ৰুতিত মহাবিদ্যালয়ে Fine-Arts আৰু Enterpreneurship menagement নামৰ দুটি COC UGC য়ে অনুমোদন জনায়। ইয়াৰোপৰি জাতিৰ পিতা মহাত্মা গান্ধীৰ দৰ্শন আৰু কৰ্মৰাজীৰ ওপৰত নৱ প্ৰজন্মই চিন্তা-চৰ্চা তথা অধ্যয়ন কৰিবৰ বাবে এটি গান্ধী অধ্যয়ন কেন্দ্ৰ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্য আৰু জীৱন দৰ্শনৰ ওপৰত অধ্যয়ন কৰিবৰ বাবে শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ অনুমোদনৰ বাবে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ওচৰত অনুদান আৰু অনুমোদন জনাবৰ বাবে অনুৰোধ কৰা হৈছিল। এই ক্ষেত্ৰতো UGC য়ে দুয়োটি কেন্দ্ৰ খুলিবৰ বাবে আৰ্থিক অনুদান আৰু অনুমোদন জনায়।

মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ লগত আলোচনা কৰি কেইটিমান নিৰ্মাণ কাৰ্য হাতত লোৱা হয়। ইয়াৰ ভিতৰত মহাবিদ্যালয়ৰ সন্মুখত এখন নতুন তোৰণ নিৰ্মাণ কৰা আৰু প্ৰৱেশ পথৰ দুয়োকাষে পকীবেৰৰ ব্যৱস্থা কৰিবৰ বাবে সিদ্ধান্ত গ্ৰহণ

কৰা হয়। মহাবিদ্যালয়ৰ তোৰণখনৰ আধাৰশিলা স্থাপন কৰে যশস্বী অসমীয়া চলচিত্ৰ নিৰ্মাতা শ্ৰীযুত জাহ্নু বৰুৱা দেৱে। এই তোৰণখনি নিৰ্মাণত প্ৰয়োজন হোৱা পুঁজি মহাবিদ্যালয়ৰ সমূহ শিক্ষক আৰু কৰ্মচাৰীয়ে বহন কৰাৰ দায়িত্ব লয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কেণ্টিনৰ বিশেষ সুবিধা নথকাৰ বাবে এখন সুন্দৰ কেণ্টিন নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই মৰ্মে ড° নগেন শইকীয়া ছাৰে কেণ্টিনখনিৰ আধাৰশিলা স্থাপন কৰে। কেণ্টিনখনিৰ নিৰ্মাণ সম্পূৰ্ণ কৰাত মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীৰ লগতে মহাবিদ্যালয়ৰ পুঁজি ব্যৱহাৰ কৰা হয়। মহাবিদ্যালয়ৰ কোনো এটা স্থানত Indoor Stadium নিৰ্মাণ কাৰ্য কৰিব পৰাকৈ মাটিৰ পৰিমান নোহোৱাত আমি সকলোৱে বিপাণ্ডত পৰিছিলোঁ আৰু মহাবিদ্যালয়ৰ ওচৰে-পাজৰে মাটি থকা বহুতো ব্যক্তিৰ লগত ১০ ফুট বা ৫ ফুট মাটিৰ বাবে খাটনি ধৰিছিলোঁ, কিন্তু ক'তো ফলৱৰ্তী হ'ব নোৱাৰিলোঁ। আৰু অৱশেষত এই Indoor Stadium ৰ পুঁজি পুনৰ ঘূৰাই দিবৰ বাবেহে চিন্তা-চৰ্চা কৰা হৈছিল। কিন্তু তেনে এক সময়তে এই অঞ্চলৰ স্থানীয় সমাজকৰ্মী শ্ৰীযুত ৰাজেন গগৈ দেৱে এবিঘা মাটি সলনি কৰি আৰু ২ কঠা মাটি ক্ৰয় কৰি মুঠ ৭ কঠা মাটিৰ ব্যৱস্থা কৰি দিয়াত সেই নতুনকৈ ক্ৰয় কৰা পথাৰৰ হোলাতোতে বৰ্তমান Indoor Stadium ৰ নিৰ্মাণ কাৰ্য চলি আছে। এই মাটিখিনি মহাবিদ্যালয়ৰ এজন শুভাকাংক্ষী ব্যক্তি শ্ৰীযুত পলাশ ভট্ট দেৱৰ পৰা ক্ৰয় কৰা হয়। এই আপাহতে তেওঁক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই মাটিৰ সকলো কাম চক্ৰ বিষয়া শ্ৰীউৎপল দলে দেৱে অতি ক্ষিপ্ৰতাৰে সমাধা কৰি দিয়াত তেওঁৰ লগতে তেওঁৰ কাৰ্যালয়ৰ শ্ৰী ৰুলুল দত্তৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচী চলি থকা মাজতে এটি বিশেষ কথাই মোক বিপদত পেলাইছিল। কাৰণ উচ্চ শিক্ষাধিকাৰৰ কাৰ্যালয়ৰ পৰা এখন পত্ৰ আহিছিল। য'ত মহাবিদ্যালয়ৰ ২০০৭ চনৰ পৰা ২০১৩ চন পৰ্যন্ত সংৰক্ষিত ছাত্ৰ-ছাত্ৰীসকলৰ টিউচন ফিজ ঘূৰাই দিবৰ বাবে আদেশ জাৰী কৰিছিল আৰু সেই মৰ্মে প্ৰায় ১৯ লাখ টকা ঘূৰাই দিব লগা হৈছিল। কিন্তু সেই তাৰিখত পূৰ্ব সংৰক্ষিত পুঁজি জমা নথকাত আমি বৰ বিপদত পৰিছিলোঁ। যিহেতু পূৰ্বে সংৰক্ষিত ফিজসমূহ পৰিচালনা সমিতিৰ সিদ্ধান্ত মৰ্মে বিভিন্ন ধৰণৰ মহাবিদ্যালয়ৰ উন্নয়নৰ কামত ব্যৱহাৰ কৰা হৈছিল। এই ক্ষেত্ৰত পৰিচালনাৰ সমিতিৰ সভাপতি আৰু সদস্যসকলৰ সহযোগত সমস্যাটো সমাধা কৰা হয়। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত বীৰেশ্বৰ নেওগ দেৱে ১ লাখ টকা আৰু বাণিজ্য বিভাগৰ সহযোগী অধ্যাপক ড° জয়ন্ত গগৈ দেৱে ৫০ হাজাৰ টকা আৰু মই নিজে ১ লাখ ৫০ হাজাৰ টকা দি সমস্যাটি সমাধান কৰা হ'ল।

আমি ইয়াৰ আগতে মহাবিদ্যালয়ত ছাত্ৰৰ অনুপাতে ছাত্ৰীৰ সংখ্যা বেছি হোৱাত বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ওচৰত নৱ নিৰ্মিত Women Hostel ৰ First Floor ৰ কেইটিমান কোঠা নিৰ্মাণ, এটি ৰান্ধনীশালৰ ঘৰৰ লগতে ভোজন কক্ষ আৰু চাৰিওফালে পকীবেৰ নিৰ্মাণৰ বাবে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ ওচৰত আবেদন জনাইছিলোঁ আৰু সেই মৰ্মে UGC য়ে প্ৰথম কিস্তি হিচাপে ৩০ লাখ টকা অনুমোদন জনায়। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে খেলা-ধূলাৰ সুবিধা প্ৰদানৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত আবেদন জনোৱা হৈছিল আৰু এই ক্ষেত্ৰতো UGC য়ে অনুমোদন জনায় আৰু প্ৰথম কিস্তি হিচাপে ৩৫ লাখ টকা আগ বঢ়ায়।

শিক্ষক-শিক্ষয়িত্ৰীসকলৰ গুণগত মান তথা গৱেষণা পৰিবেশ ৰচনা কৰিবৰ বাবে প্ৰথম পদক্ষেপ হিচাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক Minor Research Project বিচাৰি UGC লৈ আবেদন জনাবৰ বাবে প্ৰয়োজনীয় কৰণীয়খিনি কৰি UGC লৈ পঠোৱা হৈছিল। আৰু বিগত দুটি বছৰত আমাৰ মহাবিদ্যালয়ে প্ৰায় ১৮ টা Minor Research Project পাবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ NAAC Assessment আৰু Annual report ২০০৮ চনৰ পৰা ২০১২ চনলৈকে পঠোৱা হোৱা নাছিল। যাৰ বাবে Re-accreditation ৰ বাবে মূল্যাংকণৰ দলটিক আমন্ত্ৰণ জনাবৰ পৰা নগৈছিল। সেই কাম ক্ষিপ্ৰতাৰে IQAC ৰ Co-ordinator (মামনি গোহাঁই, সহযোগী অধ্যাপিকা) ৰ জড়িয়তে সম্পূৰ্ণ কৰি SSR টি NAAC ৰ মূখ্য কাৰ্যালয়লৈ ইতিমধ্যে প্ৰেৰণ কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁলোকৰ বাবে এটি কম্পিউটাৰ লেব আৰু লগতে প্ৰতিটো বিভাগত ইণ্টাৰনেট সংযোগ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ বাবে অসম চৰকাৰৰ অনুমোদিত আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰদান কৰা চাৰি লাখ নব্বৈ হাজাৰ টকাৰে সুকীয়াকৈ বাণিজ্য বিভাগক স্থান দিয়া হয়। বিগত বছৰটিত ছাত্ৰ-ছাত্ৰীসকলৰ

বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা আৰু কৃতিত্বৰে মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হৈছে। এই বৰ্ষত উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষা ২৪ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ লগতে পাৰ্থ সাৰথি বৰুৱাই ৬ বিষয়ত লেটাৰ সহ ৮৬.৪% নম্বৰলৈ উত্তীৰ্ণ হয়। স্নাতক চূড়ান্ত পৰীক্ষাত ৩২ জন প্ৰথম শ্ৰেণী সহ উত্তীৰ্ণ হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। স্নাতক চূড়ান্ত পৰীক্ষাত ধৰিত্ৰী বৰগোহাঁইয়ে সমাজতত্ত্ব বিভাগৰ পৰা সৰ্বোচ্চ ৭৮% নম্বৰলৈ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতকৰ সন্মান অৰ্জন কৰে।

ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক ক্ষেত্ৰত উদ্‌গণি জনাবৰ বাবে যোৱা বছৰটিৰ পৰা কেইটিমান বঁটাৰ ব্যৱস্থা কৰা হৈছে। বঁটাসমূহ হৈছে—

১। তুলসীনাথ ৰাজখোৱা সোঁৱৰণী বঁটা নগদ ধন ৫০০০/- টকা। দাতা-শ্ৰীযুক্তা ননী ৰাজখোৱা।

২। মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক বঁটা ২০০০/- টকা।

৩। হেমদা বালা বৰুৱা সোঁৱৰণী শ্ৰেষ্ঠ অসমীয়া স্নাতক বঁটা ২০০০/- টকা। দাতা-শ্ৰীযুত ভৱানী কুমাৰ বৰুৱা।

৪। পণ্ডিত যোগেশ্বৰ বৰুৱা সোঁৱৰণী বঁটা নগদ ৫০০০/- টকা। দাতা -শ্ৰীযুত গোপাল বৰুৱা।

৫। শ্ৰেষ্ঠ ইংৰাজী স্নাতকক অমৰজ্যোতি বৰুৱা সোঁৱৰণী বঁটা নগদ ৩০০০/- টকা। দাতা-শ্ৰীযুত হৰেণ বৰুৱা।

৬। হেমদা বালা বৰুৱা সোঁৱৰণী ন্যাস বঁটা নগদ ৫০০০/- টকা। দাতা-শ্ৰীযুত গোপাল বৰুৱা।

৭। চিত্ৰলতা ফুকন সোঁৱৰণী ন্যাস বঁটা নগদ ১৫০০/- টকা। দাতা-মহাবিদ্যালয় আৰু স্থানীয় ৰাইজ।

৮। ইংৰাজী বিষয়ৰ সৰ্বোচ্চ নম্বৰলৈ মহাবিদ্যালয়ত নাম ভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে যোগেশ চন্দ্ৰ গগৈ সোঁৱৰণী ন্যাস বঁটা নগদ ২০০০/- টকা। দাতা-শ্ৰীযুক্তা বুদ্ধেশ্বৰী গগৈ।

খেলা-ধূলা ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট পাৰদৰ্শিতাৰে মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হৈছে। পৰশমণি শইকীয়াই বিগত বছৰত নেপালত অনুষ্ঠিত কৌশল্যা দেৱী আন্তৰ্জা‌তি‌ক কাৰাটে প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি স্বৰ্ণপদক অৰ্জন কৰিবলৈ সক্ষম হয়। মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ ছাত্ৰ শ্ৰী বিতোপন কোঁৱৰে আন্তঃমহাবিদ্যালয়ৰ আৰ্চাৰী প্ৰতিযোগিতাত তিনিটাকৈ সোণৰ পদক লাভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত আমাৰ মহাবিদ্যালয়ৰ নাম উজ্বলাবলৈ সক্ষম হয়। ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক শিক্ষা আৰু খেলা-ধূলাৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সুবিধা প্ৰদানৰ অৰ্থে প্ৰায় ৯ হাজাৰ বৰ্গ ফুটৰ এটি Indoon Stadium ৰ নিৰ্মাণ কাৰ্য চলাই থকা হৈছে। মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত ছাত্ৰীসকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিটো কক্ষতে ইনভাৰটাৰৰ সংযোগ দিয়াৰ ব্যৱস্থা কৰা হৈছে। আৰু আসনৰ সংখ্যা সীমিত হোৱাত অধিক ছাত্ৰীক সুবিধা দিবৰ বাবে আন এটা নতুন Women Hostel ৰ নিৰ্মাণ কাৰ্য চলাই থকা হৈছে। ইয়াৰ বাবে UGC য়ে ৩০ লাখ টকা প্ৰথম কিস্তিত ধন মুকলাই দিছে। আধুনিক শিক্ষা জগতৰ লগত খাপখুৱাকৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উৎকৰ্ষ সাধনৰ বাবে এটি আটকধুনীয়া digital শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলেও মহাবিদ্যালয়ৰ বিভিন্ন দিশত সহায়-সহযোগ অব্যাহত ৰাখি আহিছে। বিগত তিনিটা বছৰে তিনিটি স্মাৰক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এই বক্তৃতা অনুষ্ঠান মহাবিদ্যালয়ৰ প্ৰয়াত শিক্ষক-কৰ্মচাৰীৰ সোঁৱৰণত অনুষ্ঠিত কৰা হয়। তদুপৰি মহাবিদ্যালয়ৰ শিক্ষক গোটে প্ৰয়াত শিক্ষক বদন কোঁৱৰ আৰু কীৰ্তি দত্ত সোঁৱৰণত আন্তঃ মহাবিদ্যালয় শিক্ষক ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। মহাবিদ্যালয়ে সোণালী জয়ন্তী বৰ্ষত কেইবাজনো বিশেষ ব্যক্তি আমন্ত্ৰণ জনাই শৈক্ষিক পৰিবেশৰ ওপৰত আলোকপাত কৰিবৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাল পৰিবেশ সৃষ্টি কৰাৰ মানসেৰে প্ৰচেষ্টা চলাই যোৱা হৈছে। এই সকল ব্যক্তিৰ ভিতৰত ড° নগেন শইকীয়া, ড° প্ৰফুল্ল বৰা, জাহ্নু বৰুৱা, ড° অমৰজ্যোতি চৌধুৰী, উত্তৰ ভৰালী, ড° এচ প্ৰামাণিক, ইমৰান শ্বাহ, ড° কন্দৰ্প কুমাৰ ডেকা, ড° শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামী, ড° প্ৰদীপ হাজৰিকা, অতুল গগৈ, প্ৰফুল্ল দেৱ গোস্বামী, সোনাৰাম বৰুৱা, ড° বিজয় শৰ্মা, ড° যোগেন কলিতা, ড° ৰূপম শইকীয়া আদি উল্লেখযোগ্য।

বিগত বছৰটোত সোণালী জয়ন্তী আৰম্ভণী অনুষ্ঠানৰ পাছতে মহাবিদ্যালয় পৰিয়ালে কেইবাজনো গুণী-জ্ঞানী ব্যক্তিক হেৰুৱাই শোকত বিভোক্ত হয়। এইসকল প্ৰয়াত শিক্ষক ক্ৰমে--চিত্ৰলতা ফুকন, হৰিনাৰায়ণ আগৰৱালা, ড° জগন্নাথ মহন্ত আৰু যতীন বৰা। পুনৰবাৰ তেওঁলোকৰ আত্মাৰ সদ্‌গতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। বিগত বছৰ ২৫ জুলাই, ২০১৩

ত মহাবিদ্যালয়ৰ সোণালী জয়ন্তী আৰম্ভণী অনুষ্ঠানটি সুকলমে অনুষ্ঠিত হয়। এই অনুষ্ঠানটি আৰম্ভণি কৰাৰ প্ৰাক্ মুহূৰ্তত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষ ৰোপণ আৰু সোণালী জয়ন্তী উপলক্ষে নিৰ্মাণ কৰিবলগীয়া ভৱনৰ আধাৰশিলা স্থাপন কাৰ্যসূচী অন্তৰ্ভুক্ত হোৱাৰ লগতে যশস্বী অসমীয়া বোলছবি নিৰ্মাতা জাহ্নু বৰুৱা দেৱক বিশিষ্ট অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছিল। সেই মৰ্মে তেওঁ অনুষ্ঠানটিত উপস্থিত থাকি মহাবিদ্যালয়ৰ নৱ নিৰ্মিত তোৰণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে এক সাৰুৱা বক্তব্য প্ৰদান কৰি অনুষ্ঠানটি সৌষ্ঠৱ বৃদ্ধি কৰে। ইয়াৰ উপৰি এই অনুষ্ঠানটিত ড° ভোলা গগৈ, চিত্ৰলতা ফুকন, ড° যগেশ্বৰ বৰা, ড° সৌমাৰজ্যোতি মহন্ত, ড° ত্ৰিদিপ মহন্ত উপস্থিত থকা সভাখন পৰিচালনা কৰে মহাবিদ্যালয়ৰ পৰিচালনাৰ সমিতিৰ সভাপতি ড° গিয়াছুদ্দিন আহমদ ছাৰে। এই অনুষ্ঠানতে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শিৱনাথ শৰ্মা ছাৰক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সোণালী জয়ন্তী বৰ্ষত মহাবিদ্যালয় পৰিয়ালে কেইটামান সম্প্ৰসাৰিত কাৰ্যসূচী হাতত লৈছিল। ইয়াৰ ভিতৰত ৫ জুন, ২০১৩ তাৰিখে খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চকু চিকিৎসা শিবিৰ, দুৰ্লভ গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস ২০১৪ উদ্‌যাপন কৰা হয়। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ শিক্ষক ৰাজীৱ গগৈ, উপেন চন্দ্ৰ দাস আৰু আকাশজ্যোতি শইকীয়া শলাগৰ পাত্ৰ। ইয়াৰোপৰি ছাজিদুল হক বৰবৰাৰ উদ্যোগত বিশ্ব কন্যা সন্তান দিৱস ১৮-২৪ জানুৱাৰী, ২০১৪ উদ্‌যাপন কৰা হয়। শিৱসাগৰ জিলাৰ উপায়ুক্তৰ উদ্যোগত পৰিচালিত সেউজ শিৱসাগৰ আঁচনি বিভিন্ন কাৰ্যসূচীত সক্ৰিয়তাৰে মহাবিদ্যালয়ৰ পৰিয়ালে অংশ গ্ৰহণ কৰি আহিছে আৰু কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। এই ক্ষেত্ৰত ড° বিৰিঞ্চি কুমাৰ বৰা আৰু মই নিজে বিভিন্ন মহাবিদ্যালয়ত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰি আহিছোঁ। মহাবিদ্যালয়ৰ কেইবাটিও মৃতপ্ৰায় কাৰ্যসূচী এই বছৰটোতে পুনঃ উজ্জীৱিত কৰা হয়। ইয়াৰ ভিতৰত NSS, ল'ৰাৰ বাবে NCC, স্কাউট গাইড, Nature Club উল্লেখযোগ্য। ইয়াৰোপৰি KKH মুক্ত বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দূৰ সংযোগ শিক্ষা অধীনত কেইবাটাও বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়—অসমীয়া, ৰাজনীতি বিজ্ঞান, শিক্ষাতত্ব, সমাজশাস্ত্ৰ আৰু অৰ্থনীতি লগতে PGDCA পাঠ্যক্ৰমো আৰম্ভ কৰা হয়।

মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ শেষৰ দিনে শংকৰদেৱ অধ্যয়ন কেন্দ্ৰই ১৫ দিনীয়া এক গায়ন-বায়ন আৰু খোল বাদন প্ৰশিক্ষণ লোৱাতো নিশ্চয় প্ৰশংসনীয় পদক্ষেপ। আমাৰ মহাবিদ্যালয় সোণালী জয়ন্তী বৰ্ষৰ সামৰণী অনুষ্ঠানৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা হোৱাত মহাবিদ্যালয়ৰ শুভাকাংক্ষী ৰাইজ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ অৱদান উল্লেখযোগ্য। এইসকলৰ ভিতৰত বিশেষভাৱে মই লগ পোৱা ব্যক্তিসকলৰ ভিতৰত শ্ৰীযুত সুৰেশ শইকীয়া, লক্ষেশ্বৰ শইকীয়া, গোপাল বৰুৱা, সৰ্বানন্দ গগৈকে আদি কৰি বহুজন স্থানীয় ব্যক্তিৰ সং উপদেশৰ বাবে তেওঁলোক মোৰ শ্ৰদ্ধাৰ পাত্ৰ। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত বহুজন প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিষ্ঠিত ব্যৱসায়ী, শিক্ষক, ৰাজনীতিবিদ, সমাজকৰ্মী, প্ৰশাসনীয় বিষয়া, সাহিত্যিক, নাট্যকাৰ, খেলুৱৈ আদিৰ ৰূপত প্ৰতিষ্ঠিত হৈ নিজৰ সৌষ্ঠৱৰ লগতে শিক্ষানুষ্ঠানটিৰ বাবেও গৌৰৱ কঢ়িয়াইবলৈ সক্ষম হৈছে। উল্লেখযোগ্য ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত শ্যামকানু মহন্ত, ঋিনন্দ বৰা, মুকুল হাজৰিকা, ৰাণা চাংমাই, জ্যোতি প্ৰসাদ গগৈ, ধীৰেণ শ্ৰুতিকৰ, ৰঞ্জিত গগৈ, সোণমণি দত্ত, মনোৰমা দাস, নাজিম ৰহমান, শশি পাঁচনি, গোপাল বৰুৱা, বিপুল শইকীয়া, ড° অমৰজিত শইকীয়া, ড° বিৰিঞ্চি বৰা, ড° অনুপমা মহন্ত, আব্দুল আজিম, ধীৰেন কলিতা আদি।

মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সামৰণি অনুষ্ঠানৰ প্ৰাক্ মুহূৰ্তত বহু ব্যস্ততাৰ মাজত SSR report সম্পূৰ্ণ কৰি NAAC ক আমন্ত্ৰণ জনোৱা হৈছে। আশা কৰা হৈছে অহা বছৰ জানুৱাৰী মাহত এই Assessment ৰ কাম সম্পূৰ্ণ হ'ব। ইয়াৰ বাবে IQAC ৰ সমন্বয়ক মামনি গোঁহাই বাইদেউৰ লগতে, ড° জয়ন্ত গগৈ আৰু ছাজিদুল হক বৰবৰা দেৱক ধন্যবাদ জনাইছোঁ। মহাবিদ্যালয়খনক আৰ্থিক দিশত সহায় কৰিবলৈ ওলাই অহা প্ৰতিজন ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিভিন্ন উপ-সমিতিৰ সভাপতি, সম্পাদক তথা সদস্য-সদস্যাসকললৈ সোণালী জয়ন্তীৰ বৰ্ষযোৱা কাৰ্যসূচীত তেওঁলোকৰ সহায়-সহযোগিতা আৰু সু-পৰামৰ্শৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ সম্পূৰ্ণ সহায়-সহযোগ অবিহনে এনে এক কাৰ্য সম্পাদন কৰা কেতিয়াও সম্ভৱ নহয়। সকলোৰে মানসিক, দৈহিক, আৰ্থিক আৰু

শ্ৰম দানেৰে এই অনুষ্ঠানটি সাফল্য মণ্ডিত কৰি তুলিব।

স্থানীয় ৰাইজ, শুভাকাংক্ষী ব্যক্তি, সংগঠন আৰু চাৰিওকাষৰ শৈক্ষিক অনুষ্ঠানসমূহৰ পৰা আমি বিচৰাৰ দৰে সহায়-সহযোগিতা পোৱাত তেওঁলোকৰ প্ৰতি আমাৰ মহাবিদ্যালয় সদায় কৃতজ্ঞ হৈ ৰ'ব। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যদ্বয় কৃষ্ণ কুমাৰ মিশ্ৰ ছাৰ আৰু ড° যগেশ্বৰ বৰা ছাৰলৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে নতুনকৈ মনোনীত কৰা সদস্য দুজন হৈছে — ড° প্ৰকাশ কটকী মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু হোৱাৰ উপৰি তেওঁ শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ আৰু আনজন মহাবিদ্যালয়ৰ সকলোৰে পৰিচিত ডক্টৰ অনিল গগৈ ছাৰ। পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে সকলো মান্যবৰ সদস্যই আগ বঢ়োৱা সু-পৰামৰ্শৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ।

সোণালী জয়ন্তী বৰ্ষত বিভিন্ন জনে বিভিন্ন প্ৰকাৰে সহায় কৰি আহিছে। ইয়াৰ ভিতৰত স্থানীয় ব্যৱসায়ী শ্ৰীযুত দুলাল বড়াই সন্মুখৰ লোহাৰ গেটখন দান হিচাপে আগ বঢ়াই, আন এজন ব্যৱসায়ী শ্ৰীযুত ৰবীন বৰুৱাই মহাবিদ্যালয় চৌহদত থকা চাইকেল/গাড়ী shade প্ৰদান কৰে।

এই সময়ছোৱাৰ ভিতৰত সোণালী জয়ন্তী উপলক্ষে মহাবিদ্যালয়ৰ পৰা ৫ খন বিশেষ গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা হাতত লোৱা হৈছে। আৰু ইয়াৰে প্ৰথম খন ইতিমধ্যে প্ৰকাশ পাইছে "নাৰী বিষয়ক প্ৰবন্ধ সংকলন, সম্পাদিকা মীৰা বালা বৰা, ইতিহাস সম্বলিত গ্ৰন্থ-সম্পাদিকা ড° অনুপমা মহন্ত, গৱেষণা সম্বলিত গ্ৰন্থ সম্পাদক - ড° জয়ন্ত গগৈ, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ এটা প্ৰবন্ধ সংকলন, সম্পাদক, ড° বিৰিঞ্চি কুমাৰ বৰা আৰু জীৱমণি নাথৰ সম্পাদিত 'বেজবৰুৱা - সন্দৰ্শন' নামৰ প্ৰবন্ধ সংকলন। ইয়াৰ উপৰি ছাজিদুল হক বৰবৰা আৰু শ্ৰীযুত চন্দন দত্ত সম্পাদিত মূল স্মৃতিগ্ৰন্থ। ছোৱালী হোষ্টেলৰ পৰা প্ৰকাশ পাব শ্ৰীযুতা ৰাজুৰাণী গোস্বামী সম্পাদিত "কল্লোলিনী" আৰু শ্ৰীযুক্তা ননী ৰাজখোৱা সম্পাদিত 'Yatra' নামৰ News letter খনো। ইতিমধ্যে জীৱমণি নাথৰ উদ্যোগত ছাত্ৰ একতা সভাই "অভিযাত্ৰী"ৰ কামো সম্পূৰ্ণ কৰিছে। যোৱা ৩০ আগষ্ট তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° কন্দপ কুমাৰ ডেকাই "Accademia" নামৰ এখন ISSN Yearly Research Journal ৰ প্ৰথম সংখ্যাটি উন্মোচন কৰে।

মহাবিদ্যালয়ৰ শিক্ষক বসন্ত সন্দিকৈ, ৰাজীৱ গগৈ, আকাশ শইকীয়া, উপেন দাস, আৰু ৰাজীৱ শৰ্মাই মহাবিদ্যালয়ৰ সম্প্ৰসাৰিত কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলক জড়িত কৰোৱাই মহাবিদ্যালয়ত Nature Club গঠন কৰাতো প্ৰশংসনীয়। ইয়াৰ ভিতৰত বানে গৰকা দিখৌ মুখ অঞ্চলৰ মিচিং গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত দুই দিনীয়া NSS Camp উল্লেখযোগ্য কাৰ্যসূচী।

সোণালী জয়ন্তী উৎসৱটিৰ বাবে প্ৰয়োজনীয় পুঁজি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰা আব্দুল আজিম ছাৰৰ লগতে সমূহ শিক্ষক-কৰ্মচাৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। সকলোখিনি যোগাযোগ আৰু প্ৰচাৰৰ দৰে এক গধুৰ দায়িত্ব গ্ৰহণ কৰি প্ৰায় দুমাহৰ আগৰ পৰা কষ্ট স্বীকাৰ কৰি অনুষ্ঠানটিক সুকলমে অনুষ্ঠিত কৰাত সৰ্বতো প্ৰকাৰে সহায় কৰা শ্ৰীযুত বিদ্যা বৰুৱা দেৱ অশেষ ধন্যবাদৰ পাত্ৰ। সভা মণ্ডপৰ সকলোখিনি কৰণীয় কাৰ্য সুচাৰুৰূপে পালন কৰি সহায় কৰা শ্ৰীযুত প্ৰভাত শইকীয়া আৰু শ্ৰীযুত কুণ্ডিল মুদৈক এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এনে এক তিনিদিনীয়া কাৰ্যসূচীৰ সকলো কামতে দিহা-পৰামৰ্শৰ লগতে দৈহিক আৰু আৰ্থিক ভাৱে সহায় কৰি অনুপ্ৰেৰণা যোগোৱা উপাধ্যক্ষ শ্ৰীযুত বীৰেশ্বৰ নেওগ ছাৰক বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত অজানিতে হৈ যোৱা ভুল-ত্ৰুটীৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিলোঁ। ❑❑

*জয়তু জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়।*

— ড° মানজিৎ গগৈ

# সম্পাদকীয়

**শিক্ষাৰ প্ৰশস্ত পথ ঃ**

শিক্ষাৰ আছে নিজৰ সংজ্ঞা। শিক্ষা মানেই একোগছি জ্ঞানৰ বন্তি যি পোহৰাই তোলে আন্ধাৰৰ বাট। সৰ্বত্ৰ জ্বলি আছে তেনে হাজাৰ হাজাৰ চাকি, আকাশৰ ৰামধেনুৰ দৰেই বহু বৰ্ণময়। প্ৰৱাহিনী নদীৰ দৰেই ই গতিময়।

শিক্ষাৰ গতিশীলতাক আৰু অধিক বাস্তৱ আৰু সমৃদ্ধিশালী কৰি তুলিবলৈ আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজনীয়তাক গুৰুত্ব সহকাৰে গ্ৰহণ কৰি অহা হৈছে। সেয়ে, স্তৰে স্তৰে শিক্ষা প্ৰসাৰৰ অৰ্থে শিক্ষা ব্যৱস্থাক সজাই তোলা হৈছে, নিৰ্দ্ধাৰণ কৰা হৈছে ইয়াৰ আভ্যন্তৰিণ পৰিক্ৰমা। শিক্ষাই আমাক দিছে সৃষ্টিৰ বিশাল ভেটি, তাতেই স্তৰে স্তৰে আমি সাজিব খুজিছোঁ জীৱনৰ সুউচ্চ অট্টালিকা। শিক্ষা অবিহনে জীৱনৰ বহু কথাই হৈ পৰে নিস্ফল। সেয়ে শিক্ষা যুগে যুগে হৈ পৰিছে জীৱনৰ অবিচ্ছেদ্য অঙ্গ। ইয়াক দুহাতেৰে সাৱটি প্ৰায় সকলোৱে সন্মুখৰ বাটেদি আগবাঢ়িবৰ প্ৰয়াস কৰিছে, ইয়াৰ যোগেদিয়েই লাভ কৰিছে গভীৰ প্ৰশান্তি , সন্তুষ্টি আৰু গৌৰৱৰ অমোঘ শক্তি।

**পুৰণিৰ গতি, নতুনৰ প্ৰশ্ন ঃ**

শিক্ষাৰ স্ৰোতস্বিনী গতিৰ স্বকীয় ঐতিহ্য আৰু পৃষ্ঠভূমি আছে। কিন্তু এই কথা স্বীকাৰ্য যে সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে শিক্ষাৰ পৰিসৰ, চিত্ৰ, গতি আৰু ব্যৱস্থাপনাৰ পৰিবৰ্ত্তন ঘটি আহিছে আৰু পৰিবৰ্ত্তন ঘটিবলৈ বাধ্য। সাম্প্ৰতিক সময়ত পূৰ্বৰ পৰম্পৰাগত আৰু সাধাৰণ শিক্ষাৰ পৰিবৰ্তে প্ৰয়োজনভিত্তিক ভিন্ন শিক্ষাৰ পোষকতা কৰা হৈছে। আজিৰ শিক্ষা হৈ পৰিছে ভিন্নমুখী আৰু ব্যৱহাৰিক সৰ্বস্ব। নতুনসকল নতুনৰ বাটেদি আগবাঢ়ি গৈছে বা যাবলৈ চেষ্টা কৰিছে, পুৰণিসকলৰ দৃষ্টিত বহুত ক্ষেত্ৰত সেয়া বিসদৃশ ধাৰণা উদয় হোৱাৰ অন্যতম কাৰণ। এনে ধাৰণাৰ সমাবেশত তথা পৰিৱেশৰ পাৰ্থক্যৰ সীমাৰেখাত এক অনাহুত অন্তৰায় গঢ় লৈ উঠে, সিয়ে সৃষ্টি কৰে গভীৰ প্ৰশ্নৰ ... সন্দেহৰ... যন্ত্ৰণাৰ.......। পিচে সেয়া কিমানদূৰ স্বাভাৱিক, যুক্তিযুক্ত ?

**প্ৰয়োজনীয়তাৰ সন্ধান ঃ**

বৰ্তমান সময়ত শিক্ষাৰ সৈতে স্বাভাৱিকভাৱেই সংযোজিত হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। প্ৰযুক্তিবিদ্যাই আমাৰ জীৱনত, আমাৰ সমাজত তথা মানসিকতাত এনেভাৱে খিতাপি লৈছে যে তাৰ প্ৰভাৱৰ পৰা মুক্ত হ'বলৈ যত্ন কৰাটো নিৰৰ্থক। তাৰ পৰিবৰ্তে জীৱনৰ প্ৰয়োজন সাপেক্ষভাৱে প্ৰযুক্তিবিদ্যাক আদৰি ল'বলৈ চেষ্টা কৰাটো, উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰাটো আৰু যথাৰ্থ আঁচনি গ্ৰহণ কৰাটো সাম্প্ৰতিক সময়ত অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় বুলি বিবেচিত হৈছে। এনে প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ শিক্ষাৰ সৈতে প্ৰযুক্তিবিদ্যাৰ সমন্বয় আৰু সংগতি ৰক্ষা কৰিবলৈ চিন্তা কৰাটো ইতিবাচক দিশ। ই সময়সাপেক্ষ কথা। পুৰণি আৰু নতুনৰ সমন্বয় সৃষ্টিৰ মাধ্যমেৰেহে শিক্ষাৰ গতিক শক্তিশালী আৰু প্ৰৱাহমান কৰি তোলাটো সম্ভৱপৰ হ'ব। কেৱল একপক্ষৰ নহয়, ইয়াৰ বাবে দুয়োপক্ষৰে এক সুকীয়া দৃষ্টিভংগীৰ প্ৰয়োজন। শিক্ষাৰ এক ঐতিহ্য আছে আৰু এই ঐতিহ্য শিক্ষাৰ প্ৰধান বৈশিষ্ট্য - কিন্তু এই ঐতিহ্যই সৰ্বশেষ নহয়, এই কথা পুৰণি সকলে উপলব্ধি কৰিব লাগিব আৰু নতুনৰ প্ৰয়োজনীয়

আহ্বানত সহাঁৰি জনাব লাগিব। সেইদৰে, নতুনসকলেও বুজিব লাগিব যে নতুনৰ গতিয়েই একমাত্ৰ নহয়, শিক্ষাৰ ঐতিহ্যক অস্বীকাৰ কৰিলে শিক্ষাৰ দৌৰ সম্পূৰ্ণ নহ'ব। মূল ভেটি অবিহনে অট্টালিকা নিৰ্মাণৰ সপোন সপোন হৈয়ে ৰ'ব।

**আমি স্বপ্নাতুৰ ঃ**

শিক্ষাৰ এই গতিপথত ভৰি দিয়েই জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ে ঐতিহ্যমণ্ডিত পঞ্চাশটা বছৰ সম্পূৰ্ণ কৰিলে। এই সুদীৰ্ঘ পৰিক্ৰমা হয়তো সকলোসময়তে সৰলৰৈখিক আৰু মসৃণ নহয়। অনেক ঘাত-প্ৰতিঘাত, অনেক হাঁহি-আনন্দ, দুখ-যন্ত্ৰণাক লগৰী হিচাপে লৈ এই অনুষ্ঠানে নিজৰ গতিপথ অতিক্ৰম কৰি আজিৰ পৰ্যায়ত উপনীত হৈছে। প্ৰকৃতাৰ্থত এখন শিক্ষানুষ্ঠানৰ বাবে এয়া এক গৌৰবোজ্জ্বল অধ্যায়। এই গৌৰৱৰ ইতিহাসৰ সৈতে সাঙোৰ খাই আছে বহুজনৰ অনেক কষ্ট, ত্যাগ, শ্ৰম আৰু প্ৰচেষ্টাৰ অবিমিশ্ৰিত ফল, আছে বহুকেইজন শিক্ষক-কৰ্মচাৰী, অধ্যক্ষ আৰু হাজাৰজন শিক্ষাৰ্থীৰ বহুমূলীয়া অবদান আৰু আকাংখ্যাৰ অপৰিসীম সমন্বয়। পঞ্চাশটা বছৰ অতিক্ৰম কৰা এই মহাবিদ্যালয়ে ২০১৩ আৰু ২০১৪ বৰ্ষটি ইয়াৰ সোণালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি এক বিস্তৃত কাৰ্যসূচী ৰূপায়ণৰ বাবে পৰিকল্পনা কৰে। এই পৰিকল্পনাৰ বিশেষ উল্লেখযোগ্য দিশটো আছিল মহাবিদ্যালয়ৰ শিক্ষকসকলৰ সহযোগত পাঁচখন বিভিন্ন বিষয়ক গ্ৰন্থ প্ৰকাশ কৰা। ইয়াৰে এখন গ্ৰন্থ 'অৱগুণ্ঠন' ইতিমধ্যে প্ৰকাশিত হৈছে আৰু অন্য চাৰিখনৰ প্ৰকাশৰ প্ৰস্তুতিও প্ৰায় সম্পূৰ্ণ হৈছে। "সোণালী জয়ন্তী উদ্‌যাপন সমিতি" গঠন কৰা হ'ল আৰু এই উপলক্ষ্যত গুৰুত্বপূৰ্ণ স্মৃতিগ্ৰন্থখনি প্ৰস্তুত কৰাৰ দায়িত্ব পৰিল আমাৰ হাতত। আমি উপলব্ধি কৰিছোঁ, পঞ্চাশ বছৰীয়া ইতিহাসসমৃদ্ধ এটি শিক্ষানুষ্ঠানৰ সকলো দিশ সামৰি স্মৃতিগ্ৰন্থ প্ৰস্তুত কৰাটো সহজ কথা নহয়, তথাপিও আমাৰ সাধ্যানুসাৰে আগবাঢ়ি যোৱাৰ প্ৰয়াস কৰিলোঁ, বহুজন বিজ্ঞ আৰু উৎসাহী ব্যক্তিয়ে সহায়-সহযোগিতাৰ হাত আগবঢ়ালে - বিভিন্ন লেখনিৰে, প্ৰয়োজনীয় তথ্যৰে আৰু সততে দিহা-পৰামৰ্শৰে। সেই সমূহ বিশিষ্ট ব্যক্তি তথা স্মৃতিৰ অনেক সোণোৱালী ৰেঙনি দিবলৈ আগবাঢ়ি অহা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ যথাৰ্থতেই আমি কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিব, যি সকলৰ পৰশেৰে প্ৰকৃততে স্মৃতিগ্ৰন্থখনি সমৃদ্ধিশালী হৈ উঠিছে। হয়তো বিভিন্ন কাৰণত যি সকলৰ লেখা পোৱাৰ সৌভাগ্য আমাৰ নহ'ল- সেইসকলৰ প্ৰতিও আমাৰ শ্ৰদ্ধা-মৰম অটুট থাকিব। স্মৃতিগ্ৰন্থৰ প্ৰস্তুতিৰ যাৱতীয় কাম, বিশেষকৈ ছপাশালৰ কাম চূড়ান্ত অৱস্থাত থকাৰ বাবে আমি পলমকৈ হাতত পৰা দুই-এটি লেখনি সংযোগ কৰিব নোৱাৰিলোঁ, তাৰবাবে সেইসকলৰ ওচৰত আমি ক্ষমাপ্ৰাৰ্থী। উল্লেখযোগ্য যে, অনুষ্ঠানটিৰ বৈচিত্ৰ্যময় ইতিহাসৰ প্ৰায় সম্পূৰ্ণ তথ্য ইয়াৰ সৈতে সংলগ্ন কৰাৰ চিন্তা আমাৰ আছিল যদিও বহু তথ্য সঠিকভাৱে পোৱাৰ পৰা আমি বঞ্চিত হ'লোঁ, অন্যহাতে অনুষ্ঠানটোৰ সোণালী ইতিহাসৰঞ্জিত অন্য এখনি গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা হোৱাৰ হেতু কিছু চিন্তা আমি পৰিহাৰ কৰিলোঁ। সেয়ে এই ক্ষেত্ৰত হ'ব পৰা বিভিন্ন দোষ-ত্ৰুটিৰ অপৰাধ আৰু স্মৃতিগ্ৰন্থখনিক স্বয়ংসম্পূৰ্ণ আৰু সৰ্বাঙ্গ সুন্দৰ তথা উপযুক্তভাৱে সমৃদ্ধিশালী কৰি তোলাৰ ক্ষেত্ৰত আমাৰ অপৰাগতা স্বীকাৰ কৰি ল'বলৈ আমি বাধ্য, আৰু তাৰ বাবে সকলোৰে ওচৰত আমি মাৰ্জনা বিচাৰিছোঁ। এখন স্মৃতিগ্ৰন্থ প্ৰকাশ হৈ ওলাই অহাৰ কৃতিত্ব - তাৰ এক শতাংশও দাবী কৰাৰ অধিকাৰ আমাৰ নাই। সেই কৃতিত্বৰ দাবীদাৰ আপোনাসকল, যি সকলে এই মহাবিদ্যালয়খনিক হৃদয়ৰ আপোন কৰি লৈছে।

আমি স্বপ্নাতুৰ। আমাৰ সকলোৰে জীৱনত আছে অজস্ৰ সপোন। সেই সপোনক বাস্তৱায়িত কৰাৰ প্ৰচেষ্টাৰ মাজতে আছে জীৱনৰ গতি। তাৰেই আমি নিৰ্মাণ কৰিব বিচাৰোঁ স্মৃতি আৰু স্থিতিৰ সৌধ। তাৰ মাজতে আমি বিচাৰি পাম জীৱনৰ আনন্দ, সন্তুষ্টি — হৰ্ষ-বিষাদৰ ছয়া-ময়া খেলা। জ্যোতিপ্ৰসাদে কৈছিল - "মানুহ সপোনক দিঠকলৈ পৰিণত কৰা একোজন শিল্পী"। আমাৰ সকলোৰে মাজত তেনে এক শিল্পীসত্তা জাগ্ৰত হৈ উঠক - জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থখনিৰ জৰিয়তে আমি তাকেই কামনা কৰোঁ। ❑❑

চন্দন দত্ত
ছাজিদুল হক বৰবৰা
**সম্পাদকদ্বয়, স্বৰ্ণস্মৃতি**

# অনুক্ৰমণিকা

## স্মৃতিৰ পাপৰি ঃ


| | | |
|---|---|---|
| ❑ প্ৰয়াত সতীৰ্থলৈ শ্ৰদ্ধাঞ্জলি | ভৱানী কুমাৰ বৰুৱা - | ১ |
| ❑ কলেজৰ কৰ্ম জীৱনৰ মোৰ স্মৃতিৰ সমুঁৰাত থকা কেইজনমান ব্যক্তি | উমেশ চন্দ্ৰ ঠাকুৰ - | ৬ |
| ❑ স্মৃতি চাৰণ | ড° কৃষ্ণকান্ত সন্দিকৈ - | ৯ |
| ❑ আমাৰ দিনৰ জাঁজী কলেজ | গোপাল বৰুৱা - | ১৬ |
| ❑ আমি পঢ়াৰ দিনত মহাবিদ্যালয়ৰ সাহিত্যিক পৰিৱেশ | পুণ্য দেৱী - | ২১ |
| ❑ স্বৰ্ণস্বাক্ষৰ | ড° মুকুল হাজৰিকা - | ২৩ |
| ❑ সাংস্কৃতিক ক্ষেত্ৰখনত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ঃ কিছু ভুখৰীয়া স্মৃতি | মধুমিতা গোস্বামী বৰঠাকুৰ - | ২৫ |
| ❑ অনুৰণন ঃ জীৱনৰ এক সোণালী অধ্যায়ৰ | ড° অনুপমা মহন্ত - | ২৭ |
| ❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সাংস্কৃতিক পৰিৱেশ | ড° দীপাৰাণী গোস্বামী - | ৩৪ |
| ❑ এজন প্ৰাক্তন সাধাৰণ সম্পাদকৰ ৰোমন্থন | নৱকুমাৰ বৰুৱা - | ৩৭ |
| ❑ অপৰাহ্নৰ অনুভৱ | ৰাজুৰাণী গোস্বামী - | ৩৯ |
| ❑ হৃদয়ৰ মণিকূটত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় | প্ৰজ্ঞজ্যোতি বৰুৱা - | ৪১ |
| ❑ সোঁৱৰণী মোৰ ছাত্ৰী নিবাসৰ | মিনতি গগৈ বৰুৱা - | ৪২ |
| ❑ কলেজীয়া জীৱন সুঁৱৰি | জেউতি বৰুৱা - | ৪৪ |
| ❑ ৰূপোৱালী নদীৰ পানচৈ মোৰ সোণোৱালী ঘাটত... | ড° বিৰিঞ্চি কুমাৰ বৰা - | ৪৬ |
| ❑ বালিচাহী জলভাৰে মহাবিদ্যালয়ৰ এটা বিভাগ আৰু কিছু কথা | সঞ্জীৱ কুমাৰ দত্ত - | ৪৮ |
| ❑ ষ্টীল ফটোৰ আমেজত মোৰ জাঁজী কলেজ... | পৰাগ ৰাজখোৱা - | ৫৩ |
| ❑ জাঁজী হেমনাথ শৰ্মা কলেজত এবছৰ | দেৱবালা গগৈ - | ৫৬ |
| ❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ঃ অনুভৱৰ একলম | সান্ত্বনা নাথ - | ৫৭ |
| ❑ স্মৃতিৰ সুবাসে মোক আঁচুৰি যায় | মদুমনি বৰা - | ৫৯ |
| ❑ মোৰ পীড়িত সপোনবোৰৰ উৎসভূমি | দীপশিখা গগৈ - | ৬১ |
| ❑ জাঁজী কলেজ, মোৰ শিক্ষকসকল আৰু একাঁজলি অনুভৱ | পৰিস্মীতা খাউণ্ড - | ৬৩ |
| ❑ স্মৃতিৰ এখিলা সেউজীয়া পাত | প্ৰণবেন্দ্ৰ বৰা - | ৬৫ |
| ❑ স্মৃতিৰ পাপৰিত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় | বৰ্ণালী বৰঠাকুৰ - | ৬৮ |
| ❑ শিৱনাথ শৰ্মা ছাত্ৰৰ নৱস্থোৱা ফটোখন | ড° হীৰেন শুতিকৰ - | ৭০ |
| ❑ প্ৰেৰণাৰ উৎস হওক জাঁজী কলেজ | ড° ৰশ্মিৰেখা গগৈ - | ৭১ |
| ❑ নষ্টালজিয়াঃ এমুঠি মৌ-সৰা ধান | ৰূপজ্যোতি নাথ - | ৭৩ |
| ❑ দুজন স্মৰণীয় ব্যক্তি ঃ প্ৰয়াত ইন্দ্ৰেশ্বৰ বৰুৱা আৰু প্ৰয়াত মনেশ্বৰ বহিলুং | ছাজিদুল হক বৰবৰা - | ৭৫ |
| ❑ মহাবিদ্যালয়ৰ সুৰীয়া স্মৃতি | অনিমা দত্ত - | ৭৬ |
| ❑ স্মৃতিৰ জাজৰিত জাঁজীৰ পাৰৰ চিনাকি বাট | শশাংক নাথ - | ৭৭ |
| ❑ স্মৃতিৰ সুবাসেৰে এক নষ্টালজিক অনুভৱ ঃ 'জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়' | মৃদুজ্যোতি কলিতা - | ৭৯ |
| ❑ স্মৃতি ঃ এখিলা সেউজীয়া পাত | পূৰ্ণিমা দত্ত - | ৮১ |
| ❑ সোঁৱৰণী ঃ ৰ'দ জিলমিল্ দিন | জুৰিমণি বৰা - | ৮২ |
| ❑ এৰি অহা দিনৰ স্মৃতিবোৰ | পল্লৱী হাজৰিকা - | ৮৩ |


## প্ৰবন্ধ শৰাই ঃ


| | | |
|---|---|---|
| ❑ যুগে যুগে শিক্ষা | ৰজনী কান্ত গোস্বামী - | ৮৫ |
| ❑ জাঁজীৰ সংস্কৃত চৰ্চাৰ সোণ সাৰুৱা ক্ষেত্ৰখনৰ সীৰলুৰ সন্ধানত | ড° অৰুণ চন্দ্ৰ শইকীয়া, কাব্য-শাস্ত্ৰী - | ৯৮ |
| ❑ ডি এন এ পৰীক্ষা ঃ বংশানুক্ৰম নিৰ্ণয়ৰ পৰা অপৰাধ অনুসাশনলৈ | ড° কনক চন্দ্ৰ বৰুৱা - | ১০৬ |
| ❑ ৰাজকাৰেঙৰ গোপন অভিসাৰ আৰু দুখন ঐতিহাসিক নাটক | ড° প্ৰদীপ হাজৰিকা - | ১০৯ |

# অনুক্রমণিকা


❑ শিক্ষা, মূল্যবোধ, প্ৰত্যয় আৰু প্ৰত্যাশা : এক চিন্তন — ড° সুখ বৰুৱা - ১১৬
❑ সৃষ্টি বৰ্ণিল জীৱন পথিক চিত্ৰলতা ফুকন — যোগেশ কিশোৰ ফুকন - ১২১
❑ কেৰিয়াৰ আৰু যুৱপ্ৰজন্ম — ড° সুনীল কুমাৰ শইকীয়া - ১২৫
❑ সমতা, অসমতা, শিক্ষা আৰু অনেক কথা — ড° জ্যোতিপ্ৰসাদ শইকীয়া - ১২৭
❑ শিক্ষানুষ্ঠানত শিক্ষকৰ ভূমিকা — ড° সবিতা ঠাকুৰ - ১৩২
❑ "হৃদয় নদীৰ পানচৈ" অসমীয়া আত্মজীৱনী সাহিত্যৰ এটি অমূল্য ৰত্ন — ৰতিপ্ৰভা গগৈ - ১৩৩
❑ মহাবিদ্যালয়ত ৰ'ভাৰ আৰু ৰেঞ্জাৰ টীম — মীৰা বালা বৰা - ১৩৬
❑ শিক্ষা আৰু সামাজিক উত্তৰণৰ পথত নাৰী — সুজাতা গোহাঁই বৰুৱা - ১৪০
❑ অসমৰ অৰ্থনীতিত বাণিজ্য শিক্ষাৰ প্ৰয়োজনীয়তা — ড° জয়ন্ত গগৈ - ১৪২
❑ যুৱ উচ্ছৃংখলতা আৰু সময় দৃশ্যপট : সমাজ জীৱনৰ দায়বদ্ধতা — ড° মানসী গগৈ বৰগোহাঁই - ১৪৪
❑ অৱনী চক্ৰৱৰ্তীৰ কবিতা — ড° অজিত ভৰালী - ১৪৭
❑ মানৱ সম্পদৰ দিশত আমি কিমান আগবঢ়া ? এটি চমু পৰ্যালোচনা — সৌন্দৰ্য মোহন নাথ - ১৫২
❑ Food Craft Institute to Hotel Management Institute Guwahati and ...... — Mrs. Puspanjali Gogoi Baruah - ১৫৪
❑ Quest for Quality Higher Education in Assam — Noni Rajkhowa - ১৫৭
❑ THREAT TO NATIONAL INTEGRITY — Bhaskar Jyoti Mahanta - ১৬০
❑ CONSTITUTIONAL AND LEGAL PROVISIONS FOR WOMEN IN INDIA — Rashmi Rekha Baruah - ১৬১
❑ Your Smoking Is Injurious To Our Health — Sanjib Kr. Mazinder - ১৬৪


## কবিতা কৱণি :


❑ স্বৰ্ণাভ স্বগতোক্তি — প্ৰতাপ কুমাৰ বৰুৱা - ১৬৭
❑ তোমাৰ প্ৰশান্তিত বৈ আছে অমৃত — সাধনা সন্দিকৈ - ১৬৮
❑ হেৰুৱা দিনৰ স্মৃতিবোৰ — অপৰাজিতা বৰা - ১৬৮
❑ Rebirth — Bhaskarjyoti Mahanta - - 168
❑ জয়ন্তী সম্ভাৰ — সঞ্জীৱ কুমাৰ দত্ত - ১৬৯
❑ সপোনত যি কথা ক'লে জাঁজী কলেজে — প্ৰাঞ্জল প্ৰতিম বড়া - ১৭০
❑ পাৰিজাত — চুমী কলিতা কাকতী - ১৭১
❑ সেই বিৰল যাদুচ্ছিক অৱতৰণৰ বাবে — দণ্ডেশ্বৰ পাংগীং - ১৭২
❑ 'তুমি' নামৰ সপোনটি — অপূৰ্ব বুঢ়াগোহাঁই - ১৭২
❑ কামধেনু — গীতৰাজ - ১৭৩


## দস্তাবেজ :


❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় প্ৰতিষ্ঠা আৰু প্ৰথমগৰাকী অধ্যক্ষ প্ৰয়াত যদুনাথ শৰ্মা সিদ্ধান্ত — হৰেন বৰুৱা - ১৭৫
❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী এজন প্ৰাক্তন অধ্যক্ষৰ দৃষ্টিৰে — ড° অনিল কুমাৰ গগৈ - ১৮০
❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত মোৰ অনুভৱ — ড° গিয়াচউদ্দিন আহমেদ - ১৮১
❑ Fruits of NAAC Assessment and Accreditation — Breez Mohan Hazarika - 185
❑ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বৰ্তমানৰ গ্ৰন্থাগাৰৰ এক চমু অৱলোকন — দেৱজিৎ নেওগ - ১৯১
❑ সোণালী জয়ন্তী বৰ্ষ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় ২০১৩-১৪ বৰ্ষজোৰা অনুষ্ঠিত বিভিন্ন কাৰ্যসূচীৰ অৱলোকন - ১৯১
❑ মহাবিদ্যালয়ৰ সমবেত সঙ্গীত - ১৯৩
❑ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ গীত - ১৯৪
❑ ১৯৬৪ চনৰ পৰা ২০১৪ লৈ ... ১৯৫-২২৮